**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 15-10-2026
**Time :** 0705 HRS.

ASSAMESE NSD MORNING BULLETIN

# HEADLINES

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি লাডাখত ৩ হাজাৰ ৩৫০ কোটি টকা ব্যয়সাপেক্ষ পাঁচটা প্ৰকল্প ৰাষ্ট্ৰৰ নামত উচৰ্গা কৰিব।

২। কেন্দ্ৰীয় মন্ত্ৰীসভাই কালি ১১ লাখ ৪০ হাজাৰৰো অধিক ৰে'ল কৰ্মচাৰীৰ বাবে ৭৮ দিনৰ মজুৰিৰ সমতুল্য উৎপাদনশীলতা সংযুক্ত বোনাচত অনুমোদন দিছে।

৩। দেশৰ কৃষিখণ্ডলৈ মহিলাসকলে আগবঢ়োৱাৰ অৱদানক স্বীকৃতি প্ৰদান কৰাৰ উদ্দেশ্যে আজি নতুন দিল্লীত ৰাষ্ট্ৰীয় পৰ্যায়ৰ মহিলা কৃষক দিৱস ২০২৬ উদযাপন কৰা হ'ব।

৪। কুঁহিয়াৰ খেতিয়কসকলে উত্থাপন কৰা বিভিন্ন দাবী চালিজাৰি চোৱাৰ লগতে তেওঁলোকৰ সমস্যাসমূহৰ উপযুক্ত সমাধানৰ বাবে চৰকাৰে এখন বিশেষ সমিতি গঠন কৰিছে। ***আৰু***

৫। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আজি নতুন দিল্লীত এছিয়ান গেমছত অংশগ্ৰহণ কৰা খেলুৱৈসকলৰ সৈতে মত বিনিময় কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে লাডাখত ৩ হাজাৰ ৩৫০ কোটি ব্যয়সাপেক্ষ পাঁচটা প্ৰকল্প ৰাষ্ট্ৰৰ নামত উচৰ্গা কৰিব। এই প্ৰকল্পসমূহে যোগাযোগ ব্যৱস্থা, শক্তি আন্তঃগাঁথনি শক্তিশালী কৰা, সাংস্কৃতিক ঐতিহ্যক সংৰক্ষণ আৰু অঞ্চলটোত জল সুৰক্ষাৰ ব্যৱস্থা বৃদ্ধি কৰাটোৱেই এই প্ৰকল্পসমূহৰ মূল উদ্দেশ্য। এই উপলক্ষে প্ৰধানমন্ত্ৰীগৰাকীয়ে এখন জনসভাতো ভাষণ দিব। শ্ৰীমোদীয়ে লেহৰ **কুশক বাকুলা ৰিম্পোচী বিমান বন্দৰ**ত ৬৪০ কোটি টকা ব্যয়সাপেক্ষে নতুনকৈ নিৰ্মাণ কৰা এটা যাত্ৰীবাহী টাৰ্মিনেল মুকলি কৰিব। ২৩ হাজাৰ ৮০০ বৰ্গ মিটাৰ এলেকা সামৰি নিৰ্মাণ কৰা এই টাৰ্মিনেলটোৱে বাৰ্ষিক ৩৫ লাখ যাত্ৰীৰ যাতায়াত সম্ভৱ কৰি তুলিব।

প্ৰধানমন্ত্ৰীগৰাকীয়ে সীমান্ত পথ সংস্থাই নিৰ্মাণ কৰি উলিওৱা ২৯৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ **নিম্মু-পদুম-দাৰ্ছা** পথটো ৰাষ্ট্ৰলৈ উচৰ্গা কৰিব। লেহৰ নিম্মুক হিমাচল প্ৰদেশৰ **দাৰ্ছালৈ জনস্কাৰ উপত্যকা**ৰ মাজেৰে সংযোগ কৰি এই পথটো লাডাখ কৰিড'ৰলৈ যোৱাৰ বাবে বিকল্প পথ হিচাপে পৰিগণিত হ'ব।

প্ৰধানমন্ত্ৰী মোদীয়ে লগতে ৯ মেগাৱাট শক্তিসম্পন্ন **হানু ক্ষুদ্ৰ জলবিদ্যুৎ** প্ৰকল্প আৰু ৬৬ কিলোৱাট শক্তিসম্পন্ন দ্বৈত চাৰ্কিট **দাহ-হানু-খাল্‌ষ্টী ট্ৰেন্সমিচন লাইনো** উদ্বোধন কৰিব। এই প্ৰকল্পই লাডাখৰ শক্তিখণ্ডৰ আন্তঃগাঁথনি আৰু নিৰ্ভৰযোগ্যতা শক্তিশালী কৰিব বুলি আশা কৰা হৈছে। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে লেহৰ সিন্ধুঘাটত ভাৰতৰ প্ৰথমখন শিলত কটা শিল্পৰ সংৰক্ষিত উদ্যান আৰু হিম সৰোবৰ প্ৰকল্পৰ অধীনত ৪০ খন গাঁৱৰ বিভিন্ন অঞ্চলত বিকশাই তোলা ৪০টা জলাশয়ো মুকলি কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেন্দ্ৰীয় মন্ত্ৰীসভাই কালি ১১ লাখ ৪০ হাজাৰৰো অধিক ৰে'ল কৰ্মচাৰীৰ বাবে ৭৮ দিনৰ মজুৰিৰ সমতুল্য উৎপাদনশীলতা সংযুক্ত বোনাচত অনুমোদন দিছে। মন্ত্ৰীসভাৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে এই পৰিশোধৰ বাবে চৰকাৰে দুহেজাৰ ৯ কোটি টকাৰ আৱণ্টন দিছে। প্ৰতিগৰাকী যোগ্য কৰ্মচাৰীক ৭৮ দিনৰ বাবে সৰ্বাধিক ১৭ হাজাৰ ৯৫১ টকাৰ বোনাচ দিয়া হ'ব।

**বাইট (অশ্বিনী বৈষ্ণৱ)**

কেন্দ্ৰীয় মন্ত্ৰীসভাই লগতে ৰাষ্ট্ৰীয় সামাজিক সহায়তা কাৰ্যসূচী ৫ বছৰৰ বাবে চলাই নিয়াৰ প্ৰস্তাৱতো অনুমোদন দিছে। ৫৩ হাজাৰ ৪২৮ কোটি টকাৰ মুঠ বাজেটৰ এই কাৰ্যসূচী ২০২৬-২৭ৰ পৰা ২০৩০-৩১ বৰ্ষলৈ অব্যাহত থাকিব। এই কাৰ্যসূচীক প্ৰধানমন্ত্ৰী সামাজিক সহায়তা যোজনা নামেৰে নতুনকৈ নামকৰণ কৰা হৈছে। এই কাৰ্যসূচীৰ জৰিয়তে দেশৰ ৩৬ খন আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ মুঠ ৩ কোটি ২০ লাখ হিতাধিকাৰী উপকৃত হ'ব।

অৰ্থনৈতিক পৰিক্ৰমা বিষয়ক কেন্দ্ৰীয় কমিটীয়ে আই ডি বি আই বেংকৰ কৌশলগত পুনৰ গঠনতো অনুমোদন দিছে।

০০০০০

দেশৰ কৃষিখণ্ডলৈ মহিলাসকলে আগবঢ়োৱাৰ অৱদানক স্বীকৃতি প্ৰদান কৰাৰ উদ্দেশ্যে কৃষি আৰু কৃষক কল্যাণ বিভাগে আজি নতুন দিল্লীত ৰাষ্ট্ৰীয় পৰ্যায়ৰ মহিলা কৃষক দিৱস ২০২৬ উদযাপন কৰিব। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি বীজ সিঁচা, ৰোপণ কৰা, শস্য চপোৱাৰ পৰা পশুধন ব্যৱস্থাপনা, বীজ সংৰক্ষণ আৰু প্ৰাকৃতিক সম্পদ ব্যৱস্থাপনাকে ধৰি বিভিন্ন ক্ষেত্ৰত দেশৰ কৃষি ব্যৱস্থাৰ অভিচ্ছেদ্য অংশ হিচাপে মহিলাসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। পৰম্পৰাগত জ্ঞান আৰু জৈৱ বৈচিত্ৰ্য সংৰক্ষণ, উদ্যমী পদক্ষেপ আৰু বিভিন্ন কৃষিকাৰ্যৰ জৰিয়তে মহিলাসকলে গ্ৰাম্য জীৱিকা আৰু কৃষি স্থিতিস্থাপকতা শক্তিশালী কৰি আহিছে। মন্ত্ৰালয়ে লগতে কৈছে যে মহিলা কৃষকসকলৰ অৱদানে দেশৰ কৃষিখণ্ডক অধিক উৎপাদনশীল আৰু আত্মনিৰ্ভৰশীল কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। উল্লেখযোগ্য যে কৃষিখণ্ডত তেওঁলোকৰ অৱদানক স্বীকৃতিৰ বাবে এখন গোলকীয় মঞ্চ প্ৰদানৰ উদ্দেশ্যে ৰাষ্ট্ৰসংঘই ২০২৬ বৰ্ষটোক মহিলা কৃষকসকলৰ আন্তঃৰাষ্ট্ৰীয় বৰ্ষ হিচাপে ঘোষণা কৰিছে। এই ঘোষণাই কৃষিখণ্ডত মহিলাসকলৰ সুযোগ বৃদ্ধি কৰাৰ লগতে সম্পদ, প্ৰযুক্তি তথা প্ৰাতিষ্ঠানিক সহায় শক্তিশালী কৰাৰ প্ৰয়োজন সন্দৰ্ভত গুৰুত্ব আৰোপ কৰিছে।

০০০০০

কুঁহিয়াৰ খেতিয়কসকলে উত্থাপন কৰা দাবী চালিজাৰি চোৱাৰ লগতে সেই সমস্যাসমূহৰ উপযুক্ত সমাধানৰ বাবে চৰকাৰে এখন বিশেষ সমিতি গঠন কৰিছে। নীতি আয়োগৰ প্ৰাক্তন সদস্য প্ৰফেচাৰ ৰমেশ চান্দক অধ্যক্ষ হিচাপে লৈ গঠন কৰা এই সমিতিখনত কৃষি আয়ুক্ত, খাদ্য আৰু ৰাজহুৱা বিতৰণ বিভাগৰ যুটীয়া সচিব আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ যুটীয়া সচিব সদস্য হিচাপে অন্তৰ্ভুক্ত কৰা হ'ব। কৰ্ণাটক আৰু মহাৰাষ্ট্ৰৰ কুঁহিয়াৰ খেতিয়কসকলৰ প্ৰতিনিধিৰ সৈতে কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী আৰু কেন্দ্ৰীয় গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰীৰ সৈতে হোৱা বৈঠকত গ্ৰহণ কৰা সিদ্ধান্তসমূহৰ অন্তত এই সমিতিখন গঠন কৰা হৈছে। গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰালয়ে কৈছে যে এই সমিতিখনে কৃষক প্ৰতিনিধি, চেনিকল সংঘ, ৰাজ্য চৰকাৰ আৰু অন্যান্য বিশেষজ্ঞকে ধৰি অংশীদাৰসকলৰ

সৈতে আলোচনাত মিলিত হ'ব। আলোচনাত মিলিত হোৱাৰ পাছত যথা শীঘ্রে ইয়াৰ প্রতিবেদন দাখিল কৰিব।

০০০০০

নতুন দিল্লীত কালি ভাৰত আৰু ব্রুনেই দাৰুছালামৰ মাজত যুটীয়া বাণিজ্য সমিতিৰ তৃতীয়খন বৈঠক অনুষ্ঠিত হয়। ভাৰতৰ বাণিজ্য আৰু উদ্যোগ মন্ত্রালয়ে প্রকাশ কৰা অনুসৰি, দুয়োখন দেশৰ মাজত দ্বিপাক্ষিক বাণিজ্য আৰু অৰ্থনৈতিক সহযোগিতাৰ পৰ্যালোচনা কৰাৰ লগতে বাণিজ্যিক সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ নতুন সম্ভাৱনা চিনাক্ত কৰাই এই বৈঠকৰ মূল উদ্দেশ্য আছিল। বৈঠকখনত ভাৰতৰ বাণিজ্য বিভাগৰ যুটীয়া সচিব অমিত বাৰ্মা আৰু ব্রুনেই দাৰুছালামৰ অৰ্থনীতি, বাণিজ্য আৰু উদ্যোগ মন্ত্রালয়ৰ অৰ্থনীতি আৰু বাণিজ্য বিভাগৰ স্থায়ী সচিব ড০ মে ফায়েজাহ আহমদ আৰিফিনে সহ-সভাপতিত্ব কৰে। বৈঠকত দুয়োখন দেশৰ মাজত বাণিজ্য সম্প্রসাৰণ আৰু পৰস্পৰৰ বজাৰত প্ৰৱেশৰ ক্ষেত্ৰত থকা অগ্ৰাধিকাৰসমূহৰ বিষয়ে আলোচনা কৰা হয়। বিশেষকৈ ভাৰতৰ পৰা ব্রুনেই দাৰুছালামলৈ কৃষিজাত সামগ্ৰী আৰু পশুজাত সামগ্ৰীৰ ৰপ্তানি অধিক সুচল কৰাৰ বিষয়টোয়ে আলোচনাত স্থান লাভ কৰে। ইয়াৰ জৰিয়তে খাদ্য সুৰক্ষা শক্তিশালী কৰাৰ লগতে দুয়োখন দেশৰ মাজত বাণিজ্যৰ ক্ষেত্ৰত বৈচিত্ৰ্য অনাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। ইয়াৰ উপৰি ঔষধ, স্বাস্থ্যসেৱা আৰু শক্তিখণ্ডক পৰস্পৰৰ সহযোগিতাৰ গুৰুত্বপূৰ্ণ ক্ষেত্ৰ হিচাপে চিনাক্ত কৰা হয়। দুয়োখন দেশৰ মাজত পৰ্যটনৰ বিকাশ, বাণিজ্য মেলা আৰু প্ৰদৰ্শনীত অংশগ্ৰহণৰ জৰিয়তে বাণিজ্যিক যোগাযোগ বৃদ্ধি কৰাৰ বিষয়েও বৈঠকত আলোচনা কৰা হয়। লগতে দেশ দুখনৰ জনসাধাৰণৰ মাজত সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হয়।উল্লেখযোগ্য যে, এই বৈঠকে ভাৰত আৰু ব্রুনেই দাৰুছালামৰ মাজত বাণিজ্যিক সম্পৰ্ক অধিক সম্প্রসাৰিত কৰাৰ লগতে কৃষি, স্বাস্থ্য, ঔষধ আৰু শক্তিখণ্ডত পাৰস্পৰিক সহযোগিতাৰ নতুন সম্ভাৱনা সৃষ্টি কৰাৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত এছিয়ান গেমছ ২০২৬ত অংশগ্ৰহণ কৰা ভাৰতীয় খেলুৱৈসকলৰ সৈতে মত বিনিময় কৰিব। এই উপলক্ষে আয়োজিত এখন সভাত প্ৰধানমন্ত্ৰীগৰাকীয়ে ভাষণো প্ৰদান কৰিব।

জাপানৰ আইচি-নাগোয়াত অনুষ্ঠিত এছিয়ান গেমছত ভাৰতে ২১টা সোণ, ২৭টা ৰূপ আৰু ৩৭টা ব্ৰঞ্জৰ পদকসহ মুঠ ৮৫টা পদক লাভ কৰি পদক তালিকাৰ চতুৰ্থ স্থান দখল কৰে।

এই সফলতাৰ জৰিয়তে ভাৰতে একেৰাহে দ্বিতীয়বাৰৰ বাবে এছিয়ান গেমছৰ পদক তালিকাৰ শীৰ্ষ পাঁচখন দেশৰ ভিতৰত স্থান লাভ কৰিবলৈ সক্ষম হয়। এই ফলাফলে দেশৰ বিভিন্ন ক্ৰীড়া শাখাত ভাৰতীয় খেলুৱৈসকলৰ ক্ৰমবৰ্ধমান প্ৰতিযোগিতামূলক সামৰ্থ্যক প্ৰতিফলিত কৰিছে। এইবাৰৰ প্ৰতিযোগিতাত ভাৰতে কেইবাটাও উল্লেখযোগ্য কৃতিত্ব অৰ্জন কৰে। ৰিকাৰ্ভ আৰ্চাৰীত ঐতিহাসিক প্ৰদৰ্শন আগবঢ়োৱাৰ লগতে পুৰুষ আৰু মহিলা উভয় হকী দলে এইবাৰ সোণৰ পদক লাভ কৰে। ইয়াৰ উপৰি চফ্ট টেনিছ আৰু মিশ্ৰিত মাৰ্শ্বেল আৰ্টত ভাৰতে প্ৰথমবাৰৰ বাবে পদক অৰ্জন কৰে।

মহিলাৰ ট্ৰেপ শাখাত ভাৰতে প্ৰথমবাৰৰ বাবে সোণৰ পদক লাভ কৰাৰ বিপৰীতে ২৮ বছৰৰ ব্যৱধানৰ অন্তত ভাৰোত্তোলনত ৰূপৰ পদক অৰ্জন কৰে। আনহাতে, গ্ৰীক-ৰোমান মল্লযুঁজত ৬৪ বছৰীয়া অপেক্ষাৰ অন্ত পেলাই ভাৰতে ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হয়।

এছিয়ান গেমছত ভাৰতীয় খেলুৱৈসকলৰ এই উল্লেখযোগ্য প্ৰদৰ্শনে দেশৰ ক্ৰীড়াক্ষেত্ৰৰ অগ্ৰগতি আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ভাৰতৰ ক্ৰমবৰ্ধমান প্ৰতিযোগিতামূলক সামৰ্থ্যক প্ৰতিফলিত কৰিছে।

০০০০০

টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ এখন খেলত কালি হায়দৰাবাদত ৱেষ্ট ইণ্ডিজে ভাৰতক ২৪ ৰানৰ ব্যৱধানত পৰাস্ত কৰে।

প্ৰথমে বেটিং কৰি ৱেষ্ট ইণ্ডিজে নিৰ্ধাৰিত ২০ অভাৰত তিনিটা উইকেটৰ বিনিময়ত ২৪৭ ৰান সংগ্ৰহ কৰি ভাৰতৰ সন্মুখত ২৪৮ ৰানৰ বিজয় লক্ষ্য বান্ধি দিয়ে।

ৱেষ্ট ইণ্ডিজৰ অধিনায়ক শ্বাই হোপে মাত্ৰ ৫০টা বলত অপৰাজিত ১০২ ৰানৰ এক দৰ্শনীয় ইনিংছ খেলে। প্ৰত্যুত্তৰত ভাৰতীয় দলে নিৰ্ধাৰিত লক্ষ্য অনুসৰণ কৰি ১৯ অভাৰ আৰু তিনিটা বলত ৯টা উইকেট হেৰুৱাই ২২৩ ৰান সংগ্ৰহ কৰে।

ভাৰতৰ হৈ সঞ্জু চেমছনে সৰ্বাধিক ৫৬ ৰান সংগ্ৰহ কৰে। আনহাতে, তিলক বাৰ্মাই ৪৩ ৰানৰ অৱদান আগবঢ়ায়।

ৱেষ্ট ইণ্ডিজৰ হৈ কিমো পলে পাঁচটা উইকেট দখল কৰে। খেলখনত শতক অৰ্জন কৰি দলৰ জয়ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা ৱেষ্ট ইণ্ডিজৰ অধিনায়ক শ্বাই হোপক শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান প্ৰদান কৰা হয়। শৃংখলাৰ অন্তিম তথা পঞ্চমখন খেল চলিত মাহৰ ১৭ তাৰিখে বেংগালুৰুৰ এম চিন্নস্বামী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০০

সমাপ্ত